# অসম জাতীয় বিদ্যালয়

তাৰিখ : ১২/১১/২০১৬

## নুনমাটি, গুৱাহাটী ৭৮১০২০

---

## অসম জাতীয় বিদ্যালয়ত 'যোগাসন প্ৰদৰ্শন'

নুনমাটি, গুৱাহাটী ১২ নৱেম্বৰ : নুনমাটিত অৱস্থিত অসম জাতীয় বিদ্যালয়ত আজি নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ দ্বাৰা 'যোগাসন প্ৰদৰ্শন' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ ৰেক্টৰ বঞ্জিত নাৰায়ণ ডেকাই প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য আগবঢ়োৱাৰ লগতে যোগাসনে মানব জীৱনত কেনেধৰণৰ ইতিবাচক প্ৰভাৱ পেলাই সেই সম্পৰ্কে মতামত ব্যক্ত কৰে। সমগ্ৰ অনুষ্ঠানটি পৰিচালনা কৰে বিদ্যালয়ৰ যোগ বিষয়ৰ শিক্ষক, যোগবিদ শ্ৰীযুত হৰিপ্ৰসাদ তালুকদাৰে। তদুপৰি অনুষ্ঠানত উপস্থিত থাকে পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা আৰু অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় ধ্ৰুৱ শৰ্মা আৰু উদয়া ফুকন আৰু শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকল। শেষত অধ্যক্ষ ঘনশ্যাম মেধিয়ে যোগ প্ৰদৰ্শন অনুষ্ঠানত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলক ধন্যবাদ জনাই লগতে তত্ত্বাৱধায়ক শিক্ষকসকলকো কৃতজ্ঞতা জনায়। অন্যহাতে পুৱা ৯ বজাত প্ৰাক্-বিদ্যালয়ৰ শিশুৰ বছৰটোৰ কৰ্মৰাজিৰ এখনি প্ৰদৰ্শনী উন্মোচন কৰে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° উমাচৰণ শৰ্মাই।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)

অধ্যক্ষ

অসম জাতীয় বিদ্যালয়